**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-04-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰা নহয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এইকথা সদৰি কৰিছে। বাৰ্তাটোত তেওঁ কয়, যে বিভিন্ন মাধ্যমত আজি হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব বুলি প্ৰচাৰ হৈ আহিছে। কিন্তু শিক্ষা বিভাগে এই সন্দৰ্ভত এতিয়ালৈকে কোনো সিদ্ধান্ত গ্ৰহণ কৰা নাই। ফলাফল প্ৰস্তুত হোৱাৰ লগে লগে ঘোষণা কৰা হ'ব বুলিও বাৰ্তাটোত তেওঁ উল্লেখ কৰে।

oooooo

ৰাজ্যত সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন জিলাত প্ৰাৰ্থীৰ মনোনয়ন দাখিলকে ধৰি অন্যান্য প্ৰস্তুতি অব্যাহত আছে। কাইলৈ নিৰ্বাচনৰ মনোনয়ন দাখিল প্ৰক্ৰিয়াৰ সামৰণি পৰিব। জিলা প্ৰশাসনসমূহে নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে আগতীয়াকৈ সকলো দিশ চোৱাচিতা কৰিছে। ৰাজ্যৰ বিভিন্ন ৰাজনৈতিক দলসমূহৰ মাজতো নিৰ্বাচনী তৎপৰতা দেখিবলৈ পোৱা গৈছে।

ডিব্ৰুগড় জিলাত বিজেপিৰ বৰবৰুৱা, লৰুৱা আৰু খোৱাং মণ্ডলৰ উদ্যোগত কালি নাওজান ৰাজহুৱা প্ৰেক্ষাগৃহত সক্ৰিয় সদস্যসকলৰ এখন সন্মিলন অনুষ্ঠিত হয়। সভাত সমাগত পঞ্চায়ত নিৰ্বাচনত দলীয় কৰ্মকৰ্তাসকলে ল'বলগীয়া দায়িত্বৰ উপৰি নিৰ্বাচনৰ ৰণনীতি সন্দৰ্ভত আলোচনা কৰে।

যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি নিৰ্বাচনী বিষয়াৰ অধ্যক্ষতাত সমাগত পঞ্চায়ত নিৰ্বাচনৰ সৈতে সংগতি ৰাখি মূল প্ৰশিক্ষক সকলক তেওঁলোকৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে অৱগত কৰাৰ উদ্দেশ্যে প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত জিলাখনৰ আয়ুক্তগৰাকীয়ে নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে মূল প্ৰশিক্ষক সকলক দিয়া দায়িত্ব নিষ্ঠাৰে পালন কৰিবলৈ আহ্বান জনায়।

গোলাঘাট বিধানসভা সমষ্টিত বিজেপি নেত্ৰী তথা বিত্তমন্ত্ৰী অজন্তা নেওগে কালি দলীয় প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰ পৰ্যবেক্ষণ কৰে।

oooooo

ডিব্ৰুগড় বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ১২ৰ পৰা ২১ এপ্ৰিললৈ ইতিপূৰ্বে ঘোষণা কৰা বন্ধৰ দিনকেইটাত সকলো শিক্ষক-কৰ্মচাৰীক বিশ্ববিদ্যালয়ত উপস্থিত থাকিবলৈ আন এটা নিৰ্দেশ জাৰি কৰিছে। সমাগত পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত এই নিৰ্দেশ দিয়া হৈছে। উল্লেখযোগ্য যে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ব'হাগ বিহু, গুড ফ্ৰাইডে আৰু সতী সাধনী দিৱস উপলক্ষে ১২ৰ পৰা ২১ এপ্ৰিললৈ বন্ধ ঘোষণা কৰিছিল।

oooooo

ৰাজ্যৰ বিশিষ্ট গল্পকাৰ পাপৰি বৰ্মনলৈ ভাৰতীয় ভাষা পৰিষদে চলিত বৰ্ষৰ যুৱ পুৰস্কাৰ আগবঢ়াইছে। গল্পকাৰগৰাকীক অহা ১ মে'ত কলকাতাত আয়োজিত এটা অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হ'ব। এই বঁটাত আছে

– নগদ ৫১ হাজাৰ টকা, প্ৰশস্তি পত্ৰ আৰু অংগবস্ত্ৰ। অসমীয়া সাহিত্য জগতলৈ আগবঢ়োৱা অৱদানৰ স্বীকৃতিস্বৰূপে পৰিষদে গল্পকাৰগৰাকীলৈ এই বঁটা আগবঢ়োৱা বুলি জানিবলৈ দিছে। উল্লেখযোগ্য যে শ্ৰীমতী বৰ্মনে 'পৰুৱা পোহনীয়া' শীৰ্ষক গল্প সংকলনখনৰ বাবে ২০২৪ বৰ্ষৰ মুনীন বৰকটকী বঁটা লাভ কৰিছিল।

০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড০ ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়নকেন্দ্ৰ আৰু বিহু সুৰক্ষা সমিতি অসমৰ যৌথ উদ্যোগত বিশ্ববিদ্যালয়খনৰ হীৰক জয়ন্তী উপলক্ষে আয়োজন কৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা সত্ৰৰ কালি অন্তিম দিনা বিভিন্ন বিষয়ৰ গৱেষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বৌদ্ধিক আলোচনা অনুষ্ঠিত হয়। **পৰিৱেশ্য কলাৰ দৃষ্টিৰে বিহু ঃ ঐতিহ্য আৰু ক্ৰমবিকাশ** শীৰ্ষক মূল আলোচনা চক্ৰত অংশগ্ৰহণ কৰি সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই অসমৰ জাতীয় জীৱনৰ সৈতে জড়িত বিহুৱে বিশ্ববাসীৰ আগত অসমৰ চহকী সাংস্কৃতিক বৈশিষ্টক পৰিচয় কৰাই দিয়াত সহায় কৰিছে বুলি উল্লেখ কৰে। অনুষ্ঠানত সাহিত্যিক ড০ নগেন শইকীয়া, বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক ড০ পৰমানন্দ সোণোৱালকে ধৰি বিহু সুৰক্ষা সমিতিৰ অসমৰ ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি তথা অধ্যাপক-অধ্যাপিকাসকল উপস্থিত থাকে।

০০০০০০

অসম কৃষি বিশ্ববিদ্যালয়ৰ ২৫ সংখ্যক সমাৱৰ্তন সমাৰোহত কালি অৰণ্য মানৱ মানৱ হিচাপে খ্যাত যাদৱ পায়েং আৰু গ্ৰীণ অস্কাৰ বিজয়ী পূৰ্ণিমা দেৱী বৰ্মনক সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰা হয়। বিশ্ববিদ্যালয়খনৰ আচাৰ্য তথা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ পৌৰোহিত্যত বিশ্ববিদ্যালয়খনৰ যোৰহাটৰ মূল চৌহদত অনুষ্ঠিত সমাৱৰ্তনত অসম কৃষি আয়োগৰ অধ্যক্ষ ড০ হৰিশংকৰ গুপ্তাই ভাষণ দিয়ে। অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ অধীনত ৯ খন মহাবিদ্যালয়ৰ পৰা স্নাতক, স্নাতকোত্তৰ ডিগ্ৰী আৰু পি এইচ ডি লাভ কৰা ৫৪৮ গৰাকী শিক্ষাৰ্থীক আনুষ্ঠানিকভাৱে ডিগ্ৰীৰ প্ৰমাণপত্ৰৰ লগতে সোণৰ পদক আৰু অন্য পুৰস্কাৰসমূহ প্ৰদান কৰা হয়।

০০০০০০

আজি মহাবীৰ জয়ন্তী। এই উপলক্ষে অসমতো জৈন ধৰ্মাৱলম্বী লোকসকলে ধৰ্মগুৰুগৰাকীৰ জয়ন্তী উলহ-মালহেৰে পালন কৰিছে। মহাবীৰ জয়ন্তী উপলক্ষে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। মহাবীৰৰ নৈতিক শিক্ষা আৰু আদৰ্শ স্মৰণেৰে জীৱনত আগবাঢ়ি যাবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে সকলোকে আহ্বান জনাইছে।

০০০০০০

সমাপ্ত